INDIAN NATIONAL CONGRESS

Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

## RAJIV BHAWAN

INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005

তাৰিখ ৬-৬-২০১৭

# প্ৰেছ টোকা

**গুৱাহাটী, ৬ জুন, ২০১৭**

শেহতীয়াভাৱে আমাৰ ৰাজ্যখনত নাৰীজনিত অপৰাধৰ ঘটনা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। চৰকাৰৰ চৰম উদাসিনতাৰ ফলত প্ৰায় প্ৰতিদিনে সংঘটিত হৈছে মানৱ সৰবৰাহ, নাৰী নিৰ্যাতন, ধৰ্ষণ, ধৰ্ষণ কৰি হত্যা, ডাইনী সজাই হত্যা, ঘৰুৱা হিংসা আদিৰ দৰে ঘটনা। বেছি দূৰলৈ নগৈ যদি কেৱল বিগত মাহটোত সংঘটিত হোৱা এনেধৰণৰ ঘটনাৰাজি ফহিয়াই চোৱা যায় তেতিয়াও দেখা যায় যে আমাৰ ৰাজ্যখন ক্ৰমাৎ নাৰীৰ বাবে অধিক অসুৰক্ষিত হৈ পৰিছে।

**ধৰ্ষণৰ ঘটনা**

- যোৱা ১০ মে', ২০১৭ তাৰিখে কাৰ্বি আংলং জিলাৰ বৈঠালাংচুত এগৰাকী ১৬ বছৰীয়া যুৱতীক তেওঁৰ লগৰীয়াৰ সৈতে বিহুৰ সাংস্কৃতিক অনুষ্ঠান চাই উভতি অহাৰ পথত ৭ জনীয়া এক দুৰ্বৃত্তৰ দলে ধৰ্ষণ কৰি হত্যা কৰিছিল আৰু বৰ্বৰতাৰ পৰিচয় দি মৃতদেহটো গছত ওলোমাই থৈছিল।
- যোৱা ১৭ মে', ২০১৭ তাৰিখে পশ্চিম কাৰ্বি আংলঙত কাৰ্বি ৰজা হৰসিং ৰংহাঙে বেইগাঁৱৰ এগৰাকী মহিলাক ধৰ্ষণ কৰি পলায়ণ কৰে। পিছদিনা মহিলাগৰাকীয়ে গাঁওবাসীৰ সহযোগত হামৰেন আৰক্ষী থানাত এজাহাৰ দাখিল কৰে।
- যোৱা ১৯ মে', ২০১৭ তাৰিখে গুৱাহাটীৰ সমীপৰ সোণাপুৰত এগৰাকী মহিলাক শীতল পানীয়ৰ সৈতে নিচা জাতীয় দ্ৰব্য মিহলি কৰি খুৱাই গাড়ীৰ ভিতৰতে ধৰ্ষণ কৰি পথৰ ওপৰত পেলাই থৈ যায় আৰু হত্যাৰ ভাবুকি দিয়ে। পৰৱৰ্তী সময়ত সোণাপুৰ আৰক্ষী থানাত মহিলাগৰাকীয়ে ঘটনা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে।
- যোৱা ২৮ মে', ২০১৭ তাৰিখে গোৱালপাৰা জিলাৰ মৰনৈত এগৰাকী বিবাহিত মহিলাক দলবদ্ধভাৱে ধৰ্ষণ কৰা হয়।

**হত্যাৰ ঘটনা**

- যোৱা ২১ মে', ২০১৭ তাৰিখে নগাও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ২ নং হাজপানী গাঁৱৰ এগৰাকী ২৬ বছৰীয়া মহিলাক বৰ্বৰভাৱে হত্যা কৰা হয়।
- যোৱা ২৮ মে', ২০১৭ তাৰিখে গুৱাহাটীৰ কামাখ্যাত এগৰাকী ৪৫ বছৰীয়া মহিলাক ঘৰতে হত্যা কৰি থৈ যোৱা অৱস্থাত পোৱা যায়। একেদিনাই যোৰহাটৰ ডেকৰগড়াত এগৰাকী ৫০ বছৰীয়া মহিলাক শোৱনি কোঠাতে হত্যা কৰি থৈ যোৱা অৱস্থাত উদ্ধাৰ কৰা হয়।

**যৌন নিৰ্যাতন, আতিশয্যা, ডাইনী সজাই হত্যা, মানৱ সৰবৰাহৰ ঘটনা**

- যোৱা ১৬ মে', ২০১৭ তাৰিখে যোৰহাটৰ জে বি ৰোডত ঘৰলৈ ওভতাৰ পথত নিশা ৮.৩০ বজাত দুগৰাকী ভগ্নীক দুৰ্বৃত্তৰ এটা দলে যৌন আতিশয্যা চলোৱাৰ অপচেষ্টা চলায়।
- যোৱা ১৮ মে', ২০১৭ তাৰিখে তেজপুৰৰ ঐগুৰি অঞ্চলত এগৰাকী বিবাহিত পুৰুষে এগৰাকী কিশোৰীক ধৰ্ষণৰ অপচেষ্টা কৰে। কিশোৰীগৰাকীয়ে কৌশলেৰে পলায়ন কৰি ভয়াৱহ বিপদৰ পৰা নিজকে ৰক্ষা কৰে।

Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

## RAJIV BHAWAN

INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005

- যোৱা ২০ মে', ২০১৭ তাৰিখে গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত লক্ষীবাৰী নাৰায়ণপুৰৰ এগৰাকী ১৬ বছৰীয়া যুৱতীক সম্পৰ্কীয় মানুহৰ ঘৰলৈ যোৱা অৱস্থাত দুজন যুৱকে যৌন নিৰ্যাতনৰ অপচেষ্টা চলায়। চিঞৰ-বাখৰ কৰি সহায় বিচৰাত যুৱতীগৰাকী কথমপি ৰক্ষা পৰে।

- যোৱা ২৮ মে', ২০১৭ তাৰিখে মৰিগাঁও জিলাৰ ভুৰবন্ধা লালুং চুবুৰীৰ এগৰাকী ৮০ বছৰীয়া বৃদ্ধাক ডাইনী সজাই নিৰ্যাতন কৰাৰ ঘটনা পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত গোচৰ ৰুজু হৈছে।

- যোৱা ১ জুন, ২০১৭ তাৰিখে হোজাই জিলাৰ যমুনামুখ আৰক্ষী থানাৰ অন্তৰ্গত সংজুৰাই গাঁৱত এগৰাকী ৫৫ বছৰীয়া প্ৰধান শিক্ষয়িত্ৰীক দলবদ্ধভাৱে ধৰ্ষণ কৰি হত্যা কৰা হয় আৰু মৃতদেহ কপিলী নৈত উতুৱাই দিয়া হয়।

- ২০১৬ চনত মানৱ সৰবৰাহৰ ঘটনা সংঘটিত হৈছিল ২৬৬ টা, মহিলা আৰু যুৱতী অপহৰণৰ ঘটনা সংঘটিত হৈছিল ৪,৯৯৭ টা। ২০১৭ চনৰ জানুৱাৰী পৰ্যন্ত ইতিমধ্যে মানৱ সৰবৰাহৰ  ২৩ টা ঘটনা আৰু অপহৰণৰ ৮৫১ টা ঘটনা সংঘটিত হৈছে।

- ২০১৫ চনত কংগ্ৰেছৰ শাসন কালত ৰাজ্যখনত ১১,৬৮০ টা নাৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হোৱাৰ বিপৰীতে ২০১৬ চনত নাৰী নিৰ্যাতনৰ ঘটনাৰ সংখ্যা ১৬,১৯৪ টালৈ বৃদ্ধি পাইছে। ২০১৭ চনৰ এপ্ৰিল মাহলৈ ৰাজ্যখনত  সংঘটিত এনে নাৰী নিৰ্যাতনৰ ঘটনাৰ সংখ্যা ৪,৭৬৩ টা।

- নাৰী নিৰ্যাতনৰ দৰে ঘটনা প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে  যি সক্ৰিয়তা প্ৰদৰ্শন কৰিছিল সেই সক্ৰিয়তা বিজেপি চৰকাৰৰ নাই। ২০১৫ চনত কংগ্ৰেছৰ শাসন কালত ৰাজ্যখনত সংঘটিত ১১,৬৮০ টা নাৰী নিৰ্যাতনৰ ঘটনাৰ সৈতে জড়িত ১৭,০৩৪ জন লোকক আটক কৰি ৬১৫ জন লোকক  শাস্তি প্ৰদান কৰা হৈছিল। ইয়াৰ বিপৰীতে  ২০১৬ চনত ৰাজ্যখনত সংঘটিত  ১৬,১৯৪ টা নাৰী নিৰ্যাতনৰ ঘটনাৰ সৈতে জড়িতৰ সন্দেহত ১২,৫৪৫ জন লোককহে আটক কৰা হয় আৰু ইয়াৰে শাস্তি পোৱা অপৰাধীৰ সংখ্যা হৈছে মাত্ৰ ৩৯৪ জন। ২০১৭ চনৰ এপ্ৰিল মাহলৈ ৰাজ্যখনত  সংঘটিত ৪,৭৬৩ টা নাৰী নিৰ্যাতনৰ ঘটনা সন্দৰ্ভত মাত্ৰ ১,৪২৩ জন লোককহে আটক কৰা হৈছে আৰু ইয়াৰে শাস্তি পোৱা অপৰাধীৰ সংখ্যা হৈছে মাত্ৰ ৯৪ জন।

এইসমূহ ঘটনাই প্ৰমাণ কৰিছে যে শেহতীয়াভাৱে আমাৰ ৰাজ্যখনৰ আইন শৃংখলাজনিত পৰিস্থিতিৰ দ্ৰুত অৱনতি ঘটিছে, বৰ্তমানৰ বিজেপি চৰকাৰৰ দিনত মহিলাসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নোহোৱা হৈছে। মন কৰিবলগীয়া যে উল্লিখিত ঘটনাসমূহ পোহৰলৈ অহা ঘটনাহে। পোহৰলৈ নহাকৈয়ো এনে অগণন ঘটনা অহৰহ ঘটি আছে।

ববিতা শৰ্মা
(ববিতা শৰ্মা)
সাধাৰণ সম্পাদিকা তথা জ্যেষ্ঠ মুখপাত্ৰ
অসম প্ৰদেশ কংগ্ৰেছ কমিটী